হাতী-মানুহৰ সংঘাত

# ২০১৭ চনত ১১গৰাকী লোকৰ মৃত্যু

ভঙাগড়ৰ প্ৰতিবেদক, ২৪ আগষ্ট ঃ 'হাতী-মানুহৰ সংঘাতৰ ফলত এতিয়া চাহ বাগিচাত বিগত তিনি বছৰত বিত্তীয় লোকচানৰ পৰিমাণ ৭৪ শতাংশ ৯ পৃষ্ঠাত

## ২০১৭ চনত ১১ গৰাকী লোকৰ

হ্ৰাস পাইছে। শোণিতপুৰত হাতী-মানুহৰ সংঘৰ্ষৰ ফলত মৃত্যু হোৱা লোক তথা হাতীৰ সংখ্যা হ্ৰাস পাইছে। শোণিতপুৰত ২০১৭ চনত তিনিটা হাতী আৰু ১১গৰাকী লোক নিহত হৈছে। আনহাতে, ২০১৩ চনত আঠটা হাতী আৰু ১৬গৰাকী লোকৰ মৃত্যু হৈছে। শুকুৰবাৰে গুৱাহাটীত এখন সংবাদ মেলযোগে এই তথ্য প্ৰকাশ কৰে এপিজয় সুৰেন্দ্ৰ গ্ৰুপৰ চি এছ আৰৰ পৰিচালক ৰেণু কক্কৰে। তেওঁ লগতে কয়— 'শোণিতপুৰৰ চাহ বাগিচাত হাতী-মানুহৰ সংঘাতৰ ফলত ৫০ শতাংশ লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা যায়। এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফে একেলগে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ফলত এই সংঘাত ক্ৰমাৎ হ্ৰাস পাইছে। এপিজয় চাহ বাগিচাত স্থাপিত কম খৰচী সৌৰশক্তিচালিত হেটাৰ মানৱ জীৱন আৰু সম্পত্তিৰ কাৰণে হাতী-মানুহৰ সংঘাতৰ ফলত হোৱা লোকচান হ্ৰাস কৰাত সহায়ক হৈছে। এপিজয় চাহৰ ধূলাপাদুং আৰু চেঁচা বাগিচাত নিষ্ক্ৰিয় ইনফ্ৰা ৰেড ছীষ্টেমৰ ছটা শাখা আৰু চেঁচা বাগিচাত এটা সক্ৰিয় ইনফ্ৰা ৰেড ছীষ্টেম লগোৱা হৈছে। এই আঁচনিৰ এবছৰত ১১১বাৰ বনৰীয়া হাতীক সফলতাৰে প্ৰশিক্ষিত হাতী অথবা 'কংকিমিন'ৰ সহায়ত নিকটবৰ্তী হাবিলৈ ওভতাই পঠিওৱা হয়। তদুপৰি বিগত তিনি বছৰত হাতী-মানুহৰ সংঘাত পৰিচালনা সম্পৰ্কীয় ১৪খন অধিবিন্যাস সভা আঁচনিৰ অধীনত আয়োজন কৰা হৈছে। কাজিৰঙা এন পিৰ কাষৰ শোণিতপুৰ, লখিমপুৰ, ধেমাজি আৰু নগাঁও জিলাত ১,০০০ৰো অধিক ফ্ৰন্টলাইন কৰ্মচাৰী আৰু এটি ডিপ্ৰেডেশ্বন স্কোৱাড সদস্যক হাতী-মানুহৰ সংঘাত সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিগত বৰ্ষত ৪৪২.৫ হেক্টৰ কৃষিভূমি হাতী-মানুহৰ সংঘাতৰ ফলত বিনষ্ট হৈছিল যদিও ২০১৭ চনৰ সৌৰশক্তিচালিত জেওৰাৰ প্ৰতিষ্ঠাপনৰ ফলত ই হ্ৰাস পাই ১২০ হেক্টৰ হৈছে। জনগোষ্ঠীসমূহ, অসম বন বিভাগ, স্থানীয় বিধায়ক আৰু আন হিতাকাংক্ষীৰ সহযোগত উত্তৰ দিশৰ পৰিদৃশ্যত ১৩৬ কিলোমিটাৰ অঞ্চলত সৌৰশক্তিচালিত জেওৰা স্থাপন কৰাৰ পিছত সংঘাত ৯০ শতাংশ হ্ৰাস পাইছে। ইয়াৰে ১৫.৫ কিলোমিটাৰ এপিজয় চাহ বাগিচাত আছে আৰু ১৭জন লোকক প্ৰতিপাল কৰিবলৈ প্ৰশিক্ষিত কৰা হৈছে। বিদ্যালয়, সাৰ্বজনীন স্বাস্থ্য কেন্দ্ৰসমূহ আৰু আবাসিক অঞ্চলসমূহৰ প্ৰায় ২,০০,০০০ লোক এইধৰণৰ জেওৰা স্থাপনৰ ফলত লাভান্বিত হৈছে।' সংবাদ মেলযোগে ব্ৰহ্মপুত্ৰ লেণ্ডস্কেপ ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াৰ টীম লীডাৰ ড° অনুপম শৰ্মাই কয়— 'বনাঞ্চল ধ্বংসৰ ফলত হাতী-মানুহৰ সংঘাত বৃদ্ধি হোৱা দেখা যায়। এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফ, ভাৰতে ৰাজ্যৰ নিৰ্বাচিত ক্ষেত্ৰত হাতী-মানুহৰ সংঘৰ্ষ প্ৰতিৰোধ কৰিবলৈ ২০১৫ চনৰ পৰা ২০১৮ চনলৈ সফল সহযোগিতা আগবঢ়াইছে। এই তিনি বছৰীয়া আঁচনিৰ ফলাফল অনুসৰি আমি আৰক্ষী আৰু স্থানীয় জনগোষ্ঠীৰ সৈতে এপিজয় চাহৰ ১৭খন চাহ বাগিচাৰ চাৰিখন বাগিচা ক্ৰমে বৰজুলি, গড়আলি, ধূলাপাদুং আৰু চেঁচা বাগিচাত হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ প্ৰয়াস কৰা হৈছে। বিপদসংকুল অঞ্চলত বনৰীয়া হাতীৰ প্ৰবেশ ৰোধ কৰিবলৈ ১২.৫ কিলোমিটাৰ অঞ্চলত জোঙা কাঁইটীয়া বাঁহেৰে তৈয়াৰ কৰা জৈৱ হেটাৰটো ব্যৱহাৰ কৰা হৈছে। হাতী-মানুহৰ সংঘাত আৰু ইয়াৰ পৰিচালনাৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে গাঁও পৰ্যায়ত নিয়মিত বৈঠক আৰু আলোচনা, এণ্টি ডিপ্ৰেছন অৰিয়েণ্টেশ্বন আৰু বাটৰ নাটকে মহত্বপূৰ্ণ ঘটক হিচাপে কাম কৰে। জোঙা বাঁহৰ দুখন বাৰী সৃষ্টি কৰা হৈছে আৰু ইয়াক এপিজয় চাহে প্ৰতিপাল কৰি আহিছে। বৰ্তমান ইয়াত বাঁহৰ সংখ্যা হ'ল ৯,০৬৩ জোপা। হাতীৰ কাৰণে হোৱা হানিৰ মাত্ৰা নিৰূপণ কৰিবলৈ এটা মেট্ৰিক্স বনোৱা হৈছে। তদুপৰি এপিজয় চাহ বাগিচা আৰু কাষৰীয়া গাঁওসমূহত বাস কৰা ৮,০০০তকৈ অধিক লোকক হাতী-মানুহৰ সংঘাত সম্পৰ্কে সজাগ কৰা হয়।' সংবাদ মেলত ডব্লিউ ডব্লিউ এফ, ভাৰতৰ প্ৰজাতি আৰু পৰিদৃশ্যৰ পৰিচালক ড° দীপাংকৰ ঘোষ, এপিজয় চাহৰ মেনেজাৰ ইনচাৰ্জ বিনোদ বাজপেয়ী উপস্থিত থাকে।